# 2019

## ASSAMESE

### ( Major )

Paper : 2.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ দিয়া : ১×১০=১০

(ক) ৰঘুনাথ মহন্তৰ 'কথা ৰামায়ণ'ৰ আধাৰগ্ৰন্থ কি ?

(খ) 'গীতগোবিন্দ' কোনে ৰচনা কৰিছিল ?

(গ) ১৭৩৪ চনত সুকুমাৰ বৰকাথে ৰচনা কৰা হাতীৰ চিকিৎসা সম্পৰ্কীয় সচিত্ৰ গ্ৰন্থখনৰ নাম কি ?

(ঘ) ১৮৪৬ চনত অসমৰ কোনখন ঠাইৰ পৰা 'অৰুণোদই' প্ৰকাশিত হৈছিল ?

(ঙ) কোনে প্ৰথম বাইবেলৰ অসমীয়া ভাঙনি কৰিছিল ?

(চ) *Assamese Marriage System* ('অসমীয়া বিবাহ পদ্ধতি') নামৰ পুথিখনৰ প্ৰণেতা কোন ?

(ছ) ১৮৭২ চনত কলিকতীয়া অসমীয়া ছাত্ৰই গঠন কৰা অসমীয়া সাহিত্য চ'ৰা (Assamese Literary Society) ১৮৮৮ চনৰ পৰা কি নামেৰে জনাজাত হয়?

(জ) 'জোনাকী' কাকতৰ প্ৰথমগৰাকী সম্পাদক কোন?

(ঝ) কিমান চনত 'আৱাহন' কাকত প্ৰকাশিত হৈছিল?

(ঞ) 'ওফাইদাং' নামৰ গল্প-সংকলনখন কাৰ ৰচনা?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) উত্তৰশংকৰী যুগত ৰচিত দুখন পদ্য বুৰঞ্জীৰ নাম লিখা।

(খ) আনন্দৰাম ঢেকিয়াল ফুকনে ৰচনা কৰা দুখন পুথিৰ নাম লিখা।

(গ) প্ৰথম অসমীয়া ছনেটটোৰ নাম কি? এই ছনেটটোৰ ৰচক কোন?

(ঘ) জ্ঞানপীঠ বঁটা লাভ কৰা প্ৰথম অসমীয়া ঔপন্যাসিক কোন? কোনখন উপন্যাসৰ বাবে তেওঁ এই বঁটা লাভ কৰিছিল?

(ঙ) চৈয়দ আব্দুল মালিকৰ দুখন গল্পপুথিৰ নাম লিখা।

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) ব্যৱহাৰিক সাহিত্য সম্পৰ্কে এটি টোকা লিখা।

(খ) সপ্তদশ-অষ্টাদশ শতিকাত অসমীয়া ভাষাত ৰচিত বুৰঞ্জীৰ গদ্যৰীতি সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(গ) নাথান ব্ৰাউন কোন আছিল? অসমীয়া ভাষা-সাহিত্যলৈ নাথান ব্ৰাউনৰ বৰঙণি সম্পৰ্কে চমুকৈ লিখা।

(ঘ) পদ্মনাথ গোহাঞিবৰুৱাৰ উপন্যাস সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ঙ) লম্বোদৰ বৰাৰ সাহিত্যকৃতিৰ পৰিচয় দাঙি ধৰা।

৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) 'বুৰঞ্জী সাহিত্য আহোমসকলৰ অৱদান'—এই সন্দৰ্ভত ব্যাখ্যা আগবঢ়াই বুৰঞ্জী সাহিত্যৰ এটি পৰিচয় দাঙি ধৰা।

(খ) অসমীয়া সাহিত্যলৈ 'জোনাকী'ৰ অৱদান শীৰ্ষক এটি টোকা উদাহৰণসহ লিখা।

(গ) অসমীয়া চুটিগল্পৰ বিকাশত শৰৎচন্দ্ৰ গোস্বামীৰ অৱদান সম্পৰ্কে এটি টোকা লিখা।

(ঘ) ৰমণ্যাসিক সাহিত্য বুলিলে কি বুজা? ৰমণ্যাসিক সাহিত্যৰ লক্ষণ বিচাৰ কৰি আলোচনা আগবঢ়োৱা।

(ঙ) অসমীয়া গদ্য-সাহিত্যৰ জনক কোন? তেওঁৰ সাহিত্যকৃতি সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰা।

(চ) প্ৰাক্-অৰুণোদই স্তৱ বুলিলে কি বুজা? এই স্তৱত সৃষ্টি হোৱা সাহিত্যৰাজিৰ লগতে লেখকসকলৰো এটি চমু পৰিচয় দাঙি ধৰা।

(ছ) হেমচন্দ্ৰ গোস্বামীৰ কাব্যকৃতিৰ ওপৰত এটি নিৱন্ধ যুগুত কৰা।

(জ) 'দেৱকান্ত বৰুৱাৰ কাব্যকৃতি আৰু অসমীয়া কবিতাৰ সন্ধিক্ষণ'—এটি আলোচনা আগবঢ়োৱা।

★★★